অসম

কা আন্দোলনৰ সময়ত ‘মাজত পৰি একে ঠাইতে থাকি গ’লোঁ’ — মানস ৰবীনৰ মন্তব্য

কা আন্দোলনৰ সময়ত দুয়োফালৰ টনাটনিত পৰি একে ঠাইতে ৰৈ যোৱাৰ কথা ক’লে মানস ৰবীনে। বৰ্তমান আন্দোলনলৈ নোযোৱাৰ কথাও উল্লেখ কৰি জুবিন গাৰ্গৰ প্ৰতি নিজৰ অৱস্থানৰ কথা প্ৰকাশ কৰে তেওঁ।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



I Got Stuck in the Middle (social media)

১২ নৱেম্বৰ ২০২৬, গুৱাহাটী

কা আন্দোলনত ইফালে আহ ঐ আহ... সিফালে আহ ঐ আহ... মাজত পৰি একে ঠাইতে থাকি গলো মই। বাকীবোৰে আন্দোলন কৰি নিজৰ পজিচন বনাই ল’লে।মইহে একে ঠাইতে থাকি গ'লো । আন্দোলনৰ সময়ৰ অভিজ্ঞতাক লৈ বিশেষ মন্তব্য কৰিছে সংগীতশিল্পী মানস ৰবীনে। আন্দোলনৰ সময়ত দুয়োফালৰ টনাটনিত পৰি নিজৰ অৱস্থান সলনি কৰিব নোৱাৰাৰ কথা উল্লেখ কৰি তেওঁ কয়, ‘ইফালে আহ ঐ আহ, সিফালে আহ ঐ আহ, মাজত পৰি একে ঠাইতে থাকি গ’লোঁ মই।’

মানস ৰবীনৰ ভাষ্য অনুসৰি, আন্দোলনৰ সময়ত আন বহুতে নিজৰ নিজৰ অৱস্থান তৈয়াৰ কৰি ল’লে। কিন্তু

তেওঁ মাজতে ৰৈ গ’ল। তেওঁৰ মন্তব্য, ‘বাকীবোৰে আন্দোলন কৰি নিজৰ পজিচন বনাই ল’লে।’ জুবিন গার্গৰ ন্যায়ৰ দাবীত কৰা আন্দোলনখন তেনে নহয়।জুবিন গার্গৰ সত্বাটো ইমান সৰু নহয় যে ২০ টা মানুহ লগ হৈ প্রতিবাদ কৰি থাকিব। জুবিন গার্গ সত্বাটোৱেই ডাঙৰ সেয়ে এতিয়া মই বেলেগে মাতিলে আন্দোলনলৈ নাযাওঁ বুলি মন্তব্য কৰিছে সংগীতশিল্পীগৰাকীয়ে।

বর্তমান আন্দোলনলৈ নোযোৱাৰ কথাও উল্লেখ কৰে সংগীতশিল্পীগৰাকীয়ে। তেওঁ কয়, ‘আজিকালি মই আন্দোলনলৈ নাযাও, জুবিন গার্গৰ কাৰণে মই নিজৰ ঠাইত থাকোঁ।’সকলো একগোট হৈ জুবিন গার্গক ন্যায় দিয়াত সহায় কৰিবলৈ মন্তব্য কৰে সংগীতশিল্পী মানস ৰবীনে

কা আন্দোলনৰ সময়ৰ অভিজ্ঞতা আৰু জুবিন গার্গৰ প্রতি নিজৰ অৱস্থানক লৈ মানস ৰবীনৰ এই মন্তব্যই চর্চা লাভ কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2461/manas-robin-caa-movement-zubeen-garg-remark